**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-11-2024 **Time :** 0755 Hrs

***Assamese Morning Bulletin***

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মাজুলীক বিশ্ব ঐতিহ্যক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ আহ্বান জনাইছে। কাজিৰঙাত অনুষ্ঠিত উত্তৰ-পূৰ্বাঞ্চলৰ দ্বাদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাৰ কালিৰ উদ্বোধনী অনুষ্ঠানত পৰ্যটন আৰু সাংস্কৃতিক দপ্তৰৰ ৰাজ্য মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটক তেওঁ এই আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে কয়, যে তৃতীয়বাৰলৈ উত্তৰ পূৰ্বাঞ্চলৰ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা অসমত আয়োজন কৰাটো সন্মানৰ বিষয় আৰু এই উৎসৱে ইউনেস্ক'ৰ বিশ্ব পৰ্যটন ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ গৌৰৱ বৃদ্ধি কৰিব। এই মেলাই উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটনৰ বিশাল সম্ভাৱনাক অধিক উজ্জ্বল কৰি তোলাৰ লগতে উদ্যোগৰ উপৰি সাংস্কৃতিক বিনিময়, পৰিৱেশ সংৰক্ষণ আৰু অৰ্থনৈতিক উন্নয়নৰ পৰিৱৰ্তনশীল শক্তি হিচাপেও উন্মেষ সাধনত সহায় কৰিব বুলি ডং শৰ্মাই মন্তব্য কৰে।

উল্লেখযোগ্য যে কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে মুকলি কৰা পৰ্যটন মেলাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ পৰ্যটন মন্ত্ৰীসকলো উপস্থিত থাকে।

০০০০০০০০

গুৱাহাটীৰ সমীপৰ সোণাপুৰৰ টেপেচিয়াত নিৰ্মীয়মান বিজ্ঞান নগৰী অহা বছৰৰ অক্টোবৰৰ ভিতৰত মুকলি কৰাৰ বাবে কেন্দ্ৰীয় সংস্কৃতি আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাটে নিৰ্দেশ দিছে। মন্ত্ৰীগৰাকীয়ে কালি ৰাজ্যৰ বিজ্ঞান প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তৰ সৈতে নিৰ্মীয়মান বিজ্ঞান নগৰীৰ কাম-কাজ পৰিদৰ্শন কৰাৰ পাছত ৰাষ্ট্ৰীয় বিজ্ঞান সংগ্ৰাহালয় পৰিষদ, ৰাজ্যৰ বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগ, লোকনিৰ্মাণ গৃহ বিভাগৰ বিষয়া-অভিযন্তা আৰু নিৰ্মাণকাৰী প্ৰতিষ্ঠানৰ কাৰ্যবাহীৰ সৈতে এখন বৈঠকত মিলিত হৈ এই বিষয়ে প্ৰকাশ কৰে। এই বিজ্ঞান নগৰীৰ নিৰ্মাণৰ কাম-কাজ লেহেমীয়া হোৱাৰ বাবে মন্ত্ৰীগৰাকীয়ে অসন্তুষ্টি প্ৰকাশ কৰে। তেওঁ বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ সচিবগৰাকীক ১৫ দিনৰ মূৰে মূৰে বিজ্ঞান নগৰীৰ নিৰ্মাণ কাৰ্য অগ্ৰগতি পৰ্যালোচনা কৰাৰ নিৰ্দেশ দিয়ে। তদুপৰি ইয়াৰ নিৰ্মাণৰ কাৰ্যৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ দিশসমূহ পৰ্যালোচনাৰ বাবে শীঘ্ৰে তেওঁৰ মন্ত্ৰালয়ৰ শীৰ্ষ বিষয়াক লৈ এখন বৈঠক অনুষ্ঠিত কৰিব বুলিও শ্ৰীশ্বেখাৱটে অৱগত কৰে। অহা বছৰ নৱেম্বৰৰ পৰা বিজ্ঞান নগৰীখন সম্পূৰ্ণৰূপে কাৰ্যক্ষম কৰি তুলিবলৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে মন্ত্ৰীগৰাকীয়ে মন্ত্ৰালয়ৰ লগতে ৰাষ্ট্ৰীয় বিজ্ঞান সংগ্ৰহালয় পৰিষদৰ শীৰ্ষ বিষয়া নিৰ্দেশনা জাৰি কৰিব বুলিও উল্লেখ কৰে।

উল্লেখযোগ্য যে, কেন্দ্ৰীয় সংস্কৃতি মন্ত্ৰালয়ৰ অধীনস্থ ৰাষ্ট্ৰীয় বিজ্ঞান সংগ্ৰাহালয় পৰিষদৰ পৃষ্ঠপোষকতাৰে আৰু কলকাতা ৰাষ্ট্ৰীয় বিজ্ঞান সংগ্ৰাহালয় তথা ছায়েন্স চিটীৰ সমপৰ্যায়ৰ হিচাপে এই বিজ্ঞান নগৰী নিৰ্মাণ কৰিবলৈ লোৱা হৈছে।

০০০০০০

ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে বিদ্যালয়সমূহত নতুনকৈ আৰু চতুৰ্থবৰ্গ কৰ্মচাৰী নিয়োগ নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তাৰ পৰিৱৰ্তে এই শ্ৰেণীৰ পদৰ বাবে এম টি এছ্ অৰ্থাৎ মাল্টি টাস্কিং ষ্টাফ নিয়োগ কৰা হ'ব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি গুৱাহাটীত এখন সংবাদ মেলাত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে এই ধৰণৰ মাল্টি টাস্কিং ষ্টাফ নিযুক্তিৰ ক্ষেত্ৰত শিক্ষা বিভাগে কোনো ভূমিকা পালন নকৰে। এই নিয়োগৰ ক্ষেত্ৰত বিদ্যালয় কৰ্তৃপক্ষৰ ওপৰতে সম্পূৰ্ণ কৰ্তৃত্ব থাকিব। শিক্ষামন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত কয়, যে চতুৰ্থবৰ্গ পদৰ বাবে পূৰ্বে দিয়া নিযুক্তিত কোনো এখন জিলাৰ বিদ্যালয়ত অন্য জিলাৰ নিবনুৱাই নিযুক্তি লাভ কৰিলে সংশ্লিষ্ট অঞ্চলৰ লোকে আপত্তি দৰ্শাইছিল। কিন্তু মাল্টি টাস্কিং ষ্টাফ নিযুক্তিৰ ক্ষেত্ৰত বিদ্যালয় কৰ্তৃপক্ষই স্থানীয় নিবনুৱাকে নিযুক্তি দিব পাৰিব। আনহাতে, ৰাজ্য চৰকাৰৰ অধীনত যিসকল চতুৰ্থবৰ্গৰ কৰ্মচাৰী বৰ্তমানে নিয়োজিত হৈ আছে তেওঁলোকৰ কাম অব্যাহত থাকিব বুলি তেওঁ উল্লেখ কৰে।

ইফালে, শিক্ষা বিভাগত ভৱিষ্যতে আৰু ঠিকাভিত্তিক শিক্ষক নিযুক্তিও প্ৰদান কৰা নহ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। এতিয়াৰে পৰা কেৱল নিয়মীয়া টেট শিক্ষকৰ পদতহে নিযুক্তি প্ৰদান কৰা হ'ব বুলি উল্লেখ কৰি তেওঁ শীঘ্ৰে পুনৰ ৯ হাজাৰ পদৰ বাবে নিযুক্তি প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব বুলি প্ৰকাশ কৰে।

০০০০০০

নাহৰকটীয়াৰ বিশিষ্ট সাংবাদিক বুলন কুমাৰ শইকীয়াৰ আজি পুৱিত নিশা পৰলোক প্ৰাপ্তি ঘটে। এন ই টি ভি আৰু আমাৰ অসমত তেওঁ দীঘদিন কৰ্মৰত আছিল। তেওঁ দীৰ্ঘদিন ধৰি যকৃত ৰোগত ভূগি আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল প্ৰায় ৫০ বছৰ।

০০০০০০

নতুন দিল্লীত অনুষ্ঠিত ৪৩ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলা চমুকৈ আই আই টি এফ ২০২৪ত বিষয় ভিত্তিক উপস্থাপনত অসমে প্ৰদৰ্শনৰ উৎকৃষ্টতাৰ বাবে ব্ৰঞ্জৰ পদক লাভ কৰিছে। এই মেলাত অসম পেভিলিয়নে হস্তশিল্প, কৃষি, বস্ত্ৰ আৰু খাদ্য প্ৰক্ৰিয়াকৰণ সামগ্ৰীৰ জৰিয়তে ৰাজহ সৃষ্টি আৰু ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় ক্ৰেতাৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সামৰ্থ হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই সাফল্যৰ সৈতে জড়িতসকলক কালি সামাজিক মাধ্যম যোগে অভিনন্দন জ্ঞাপন কৰে।

০০০০০০

**সমাপ্ত**